# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-04-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হৈছে। এইবাৰৰ পৰীক্ষাত ৭২৫ গৰাকী পুৰুষ আৰু ২৮৪ মহিলা প্ৰাৰ্থীকে ধৰি মুঠ এহেজাৰ ৯ গৰাকী প্ৰাৰ্থী উত্তীৰ্ণ হৈছে। শীৰ্ষ পাঁচটা স্থানত তিনিগৰাকী মহিলা আৰু দুজন পুৰুষ প্ৰাৰ্থী আছে। এইবাৰৰ পৰীক্ষাত শক্তি ডুবেই প্ৰথম স্থান, হৰ্ষিতা গোৱেলে দ্বিতীয় আৰু ডংগ্ৰে আৰ্ছিত পৰাগে তৃতীয় স্থান দখল কৰিছে। কেন্দ্ৰীয় লোকসেৱা আয়োগে বিগত বৰ্ষৰ ছেপ্তেম্বৰত সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ লিখিত পৰীক্ষাসমূহ অনুষ্ঠিত কৰাৰ লগতে চলিত বৰ্ষৰ জানুৱাৰীৰ পৰা এপ্ৰিলৰ ভিতৰত সাক্ষাৎকাৰ অনুষ্ঠিত কৰিছিল।

উল্লেখযোগ্য যে অসমৰ নগাঁৱৰ ভাস্বত শইকীয়াই এই পৰীক্ষাত ৪৭৪ সংখ্যক স্থান লাভ কৰিছে। নগাঁও জিলাৰ ডিফলুৰ বীৰেন্দ্ৰ নাথ শইকীয়া আৰু দিব্যজ্যোতি শইকীয়াৰ পুত্ৰ ভাস্বত শইকীয়াই ইয়াৰ পূৰ্বেও ২০২৩ বৰ্ষৰ কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাৰ ফলাফলত ৫৫২ নম্বৰ স্থান লাভ কৰিছিল।

০০০০

ৰাজ্যত অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান অব্যাহত আছে। প্ৰাৰ্থীসকলে ভোটাৰক আকৰ্ষণ কৰাৰ উদ্দেশ্যে ঠায়ে ঠায়ে প্ৰচাৰ সভা, ৰেলী আদিৰ আয়োজন কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱাল, অগপৰ সভাপতি অতুল বৰাকে ধৰি বিভিন্নজনে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলাইছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি চৰাইদেউ জিলাৰ লাকুৱাত এখন জনসভাত অংশ লয়।

তেজপুৰত আজি আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে নিয়োজিত প্ৰায় এহেজাৰ ২৪০ গৰাকী প্ৰথম প'লিং বিষয়াৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰু বেলট বাকচ ব্যৱহাৰৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ সম্পন্ন হয়।

ইপিনে পঞ্চায়ত নিৰ্বাচনৰ ভোটকেন্দ্ৰসমূহ বিধানসভাৰ ভোটকেন্দ্ৰৰ সৈতে অমিল হোৱাৰ প্ৰতি লক্ষ্য ৰাখি ভোটাৰসকলে যাতে ভোটকেন্দ্ৰ চিনাক্ত কৰাত অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবে মৰিগাঁও জিলা প্ৰশাসনে খণ্ড পৰ্যায়ৰ বিষয়াসকলক সজাগতা সৃষ্টিৰ নিৰ্দেশ দিছে। অতিৰিক্ত জিলা আয়ুক্তই এখন জাননীযোগে বিষয়াসকলক পঞ্চায়ত সচিবৰ সহযোগত ভোটদাতাসকলক এইক্ষেত্ৰত সজাগ কৰিবলৈ নিৰ্দেশ দিয়ে।

হোজাই জিলাত অহা ২৪ এপ্ৰিলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰচাৰ অভিযানত অংশ লোৱাৰ পৰিপ্ৰেক্ষিতত লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰকে ধৰি বিজেপিৰ কৰ্মকৰ্তাসকল তৎপৰ হৈ পৰিছে।

০০০০

বৰপেটা জিলাৰ একাংশ লোকে নিজক দন্ত চিকিৎসক বুলি ভূৱা পৰিচয় দি জনসাধাৰণক প্ৰৱঞ্চনা কৰি থকা বুলি বৰপেটা জিলা দন্ত চিকিৎসক সন্থাই অভিযোগ উত্থাপন কৰিছে। বৰপেটা প্ৰেছ্ ক্লাৱত আয়োজিত এখন সংবাদমেলত আজি সন্থাই কয়, যে এই পৰ্যন্ত ২৭ জন লোকে চিকিৎসক বুলি ভূৱা পৰিচয় দি চিকিৎসা কৰি থকাৰ তথ্য তেওঁলোকৰ হাতত মজুত আছে। দন্ত চিকিৎসক সন্থাই বৰপেটা জিলাৰ কাৰ্যকৰী সভাপতি ডাঃ ধনীৰাম তালুকদাৰে এই বিষয়টো সন্দৰ্ভত জিলাখনৰ আয়ুক্ত আৰক্ষী অধীক্ষক আৰু যুটীয়া স্বাস্থ্য সঞ্চালকলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে বুলি উল্লেখ কৰে। স্মাৰকপত্ৰত সন্থাই তথ্য দাখিল কৰা লোকসকলৰ শিক্ষা গ্ৰহণৰ নথিপত্ৰ চালি জাৰি চোৱাৰ লগতে চিকিৎসা বৃত্তিত নিয়োজিত হ'ব পৰাকৈ তেওঁলোকে কিবা অনুজ্ঞাপত্ৰ লাভ কৰিছে নেকি সেই বিষয়ে অনুসন্ধান চলাবলৈ দাবী জনোৱা হৈছে।

০০০০

ধুবুৰী জিলাৰ নৱনিৰ্মিত জিলা ন্যায়িক আদালত ভৱনটো অহা ২৬ এপ্ৰিলত উদ্বোধন কৰা হ'ব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণইৰ উপৰি ৩ গৰাকী ন্যায়াধীশ উপস্থিত থাকিব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাও উপস্থিত থকাৰ কথা। উল্লেখযোগ্য যে ১৯৭০ চনত তাহানিৰ গোৱালপাৰা জিলাৰ জিলা আৰু সত্ৰ ন্যায়াধীশ উপেন্দ্ৰ নাথ ৰাজখোৱাই ধুবুৰীত চৰকাৰী বাসভৱন চৌহদত নিজৰ পত্নী আৰু ৩ গৰাকী কন্যাক হত্যা কৰি পুতি ৰাখিছিল। এই অপৰাধৰ শাস্তি স্বৰূপে ১৯৭৬ চনত ৰাজখোৱাক যোৰহাট কাৰাগাৰত ফাঁচি দিয়া হৈছিল। হত্যাকাণ্ড সংঘটিত এই চৰকাৰী বাসভৱনটো ভাঙি ২০১৭ চনৰ ২ ডিচেম্বৰত জিলাখনৰ নতুন ন্যায়িক আদালত ভৱনৰ আধাৰশিলা স্থাপন কৰি হৈছিল। এই ভৱনটো অহা ২৬ এপ্ৰিলত উদ্বোধন কৰা হ'ব।

০০০০

গোৱালপাৰা চহৰৰ সমীপৱৰ্তী ৰাঙাগঢ়াত আজি বনৰীয়া হাতীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হয়। মৃত লোকজন গৌতম মণ্ডল বুলি চিনাক্ত কৰা হৈছে। আজি পুৱা পথাৰত গৰু বিচাৰিবলৈ যোৱাৰ সময়তে বনৰীয়া হাতীৰ গচকত লোকজনৰ মৃত্যু হৈ বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। পাছত বন বিভাগে মৃতদেহটো গোৱালপাৰাৰ শ্বহীদ নিধনুৰাম ৰাজবংশী অসামৰিক চিকিৎসালয়লৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

০০০০

হোজাই জিলাৰ ডবকাৰ লালমাটিত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত দুগৰাকী মহিলা থিতাতে নিহত হয়। ডিফুৰ পৰা নগাঁও অভিমুখে আহি থকা এখন যাত্ৰীবাহী বাছৰ সৈতে বিপৰীত ফালৰ পৰা অহা এখন ব্যক্তিগত চাৰিচকীয়া বাহনে মুখামুখিকৈ খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত চাৰিচকীয়া বাহনখনত যাত্ৰা কৰা মহিলা দুগৰাকীৰ মৃত্যু হোৱাৰ লগতে বাহনখনৰ চালকজন গুৰুতৰভাৱে আহত হয়। চালকজনক সংকটজনক অৱস্থাত নিকটৱৰ্তী চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। মৃত মহিলা দুগৰাকী পশ্চিম কাৰ্বি আংলঙৰ সাতগাঁৱৰ নজনী টিমুংপি আৰু ৰজনী বেপি বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০

সমাপ্ত